# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী-১১০০০১

ফোন : ০১১-২৩০০৫৭০০, ফেক্স : ০১১-২৩০০৫৭৮৭


## ডিজেলৰ দুই ধৰণৰ দাম স্থিৰ কৰাৰ প্ৰক্ৰিয়াৰ সন্দৰ্ভত বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ তথা সাংসদ প্ৰকাশ জাভড়েকাৰে জাৰী কৰা প্ৰেছ বিজ্ঞপ্তি

কংগ্ৰেছ নেতৃত্বাধীন ইউ পি এ চৰকাৰে যিদৰে ডিজেলৰ দাম নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত দুমুখীয়া নীতি গ্ৰহণ কৰিছে, বিজেপিয়ে ইয়াৰ তীব্ৰ নিন্দা কৰে, কাৰণ এই নীতিৰ বাবে সাধাৰণ জনতাৰ ওপৰত হেঁচা পৰিছে। এইটো হ'ল চতুৰতাৰে ডিজেলৰ দাম বৃদ্ধি কৰা কাৰ্য। চৰকাৰে ডিজেলক নিয়ন্ত্ৰণমুক্ত কৰি দুই ধৰণৰ ক্ৰেতা তৈয়াৰ কৰিছে। উচ্চ মাত্ৰাৰ ক্ৰেতা যি তেল কোম্পানীৰ আউটলেটৰ পৰা পোনে পোনে তেল ক্ৰয় কৰে আৰু যিসকল খুচুৰা ক্ৰেতা তেওঁলোকে ৫০ ৰপৰা ৫৪ টকা প্ৰতি লিটাৰ দামত ডিজেল কিনে। উচ্চ মাত্ৰাৰ ক্ৰেতাসকলে ডিজেল ৬২ ৰপৰা ৬৫ টকা লিটাৰত ডিজেল কিনিবলৈ বাধ্য হৈছে।

এই সিদ্ধান্তৰ ফলত ৰাজ্যৰ পৰিবহন সংস্থাই ৩০০০ কোটি টকাৰ অতিৰিক্ত বোজা বহন কৰিব লাগিব। ৰে'লৰ বাবেও ৩০০০ কোটি টকাৰ অতিৰিক্ত বোজা বহন কৰিব লগা হ'ব। চহৰৰ ভিতৰত বাছ সেৱাৰ দৰে জনসাধাৰণৰ উপযোগী পৰিবহন সেৱাৰ বাবে ৩০০০ কোটি টকা বেছি লাগিব। বেচৰকাৰী শিল্প আৰু বাণিজ্যিক সংস্থাসমূহে আৰু ৬ হেজাৰ কোটি টকাৰ বোজা সহিব লাগিব। সেয়েহে এনে সিদ্ধান্তৰে চৰকাৰে একেবাৰতে বহু মাত্ৰাত ডিজেল ক্ৰয় কৰা সকলৰ ওপৰত ১৮ হেজাৰ কোটি টকাৰ বোজা জাপি দিলে। আৰু এই সংস্থাসমূহে নিজৰ বোজা জাপি দিব সাধাৰণ মানুহৰ ওপৰত। ইতিমধ্যে তেওঁলোক প্ৰতি মাহে ডিজেলৰ দাম বৃদ্ধিৰ সিদ্ধান্তৰ দ্বাৰা প্ৰভাৱিত হৈছে। ডিজেলক নিয়ন্ত্ৰণমুক্ত কৰি চৰকাৰে সকলো মিলাই ৬০ হেজাৰ কোটি টকাৰ বোজা সাধাৰণ মানুহৰ ওপৰত জাপি দিছে। আন নালাগে মাছমৰীয়াসকলক বাল্ক ব্যৱহাৰকাৰী বুলি চিহ্নিত কৰা হৈছে। ডিজেল ব্যৱহাৰৰ নতুন নিয়ম প্ৰযোজ্য হোৱাৰ পিছত যিসকলে মাছ ধৰে তেওঁলোকৰ ওপৰত অতিৰিক্ত অনেক হেঁচা বাঢ়িল।

বিজেপিয়ে অনতি পলমে ডিজেল ব্যৱহাৰৰ এই নতুন ব্যৱস্থা প্ৰত্যাহাৰ কৰাৰ দাবী জনাইছে আৰু প্ৰতি মাহে ডিজেলৰ দাম বঢ়োৱাৰ সিদ্ধান্তক প্ৰত্যাহাৰ কৰাৰ বাবে চৰকাৰক আহ্বান জনাইছে।

**তেলেংগানা বিষয়**

পৃথক তেলেংগানা ৰাজ্য গঠনৰ বিষয়টোক লৈ চৰকাৰৰ স্থিতিক বিজেপিয়ে তীব্ৰ নিন্দা কৰিছে। ২০১৩ চনৰ ২৮ জানুৱাৰীৰ ভিতৰত তেলেংগানা বিষয়টোৰ সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ প্ৰতিশ্ৰুতি চৰকাৰে পালন কৰা নাই। বিগত ডিচেম্বৰ মাহত সৰ্বদলীয় বৈঠকত গৃহমন্ত্ৰী সুশীল কুমাৰ সিন্দেই এই প্ৰতিশ্ৰুতি

দিছিল। এইটো তেলেংগানাৰ মানুহৰ প্ৰতি কৰা বিশ্বাসঘাটকতা, ইয়াক কেতিয়াও স্বীকাৰ কৰিব নোৱাৰি।

২০০৮ চনৰ ৯ ডিচেম্বৰত সেই সময়ৰ গৃহমন্ত্ৰী পি চিদাম্বৰমে ঘোষণা কৰে, পৃথক তেলেংগানা ৰাজ্য গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কিন্তু কংগ্ৰেছ ৰাজনীতিৰ বাবে একে দিনাই সিদ্ধান্ত ৰূপায়ণ বন্ধ কৰি দিয়া হয়। ১৯৮০ৰ সময়ৰ পৰা চেন্না ৰেড্ডীয়ে তেলেংগানা বিষয়টো লৈ যেতিয়াৰ পৰা আন্দোলন কৰি আছে তেতিয়াৰ পৰাই কংগ্ৰেছে বিশ্বাসঘাটকতা কৰিছে।

বিজেপিয়ে প্ৰথমৰ পৰাই তেলেংগানা গঠনৰ পক্ষে আছে। আজি পুনৰ আমি দাবী কৰিছো, কেন্দ্ৰই যেন তেলেংগানা গঠনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে আৰু বাজেট অধিৱেশনৰ প্ৰথম সপ্তাহতেই সংসদত বিধেয়ক উত্থাপন কৰে। উক্ত বিধেয়কক এন ডি এ–ই সমৰ্থন কৰিব। এই বিধেয়ক এতিয়া উত্থাপন নকৰিলে কংগ্ৰেছ তাৰ বাবে মূল্য শোধাব লাগিব।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত